**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 20-06-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

ৰাজ্যত অহা ১০ অক্টোবৰৰ ভিতৰত পুনৰ ৪০ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কালি কেইবাটাও বিভাগত ৪৮১ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এইদৰে কয়। উল্লেখযোগ্য যে এই অনুষ্ঠানত পশু পালন আৰু পশু চিকিৎসা বিভাগত ৪৪৩ গৰাকী পশু চিকিৎসা ক্ষেত্ৰ সহায়ক, পৰ্যটন বিভাগত ১২ গৰাকী পৰ্যটন উন্নয়ন বিষয়া আৰু শিক্ষা বিভাগত ২৩ গৰাকী জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা তথা ৩ গৰাকী ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই নিযুক্তি স্বচ্ছ, মেধা আৰু যোগ্যতা ভিত্তিত সম্পন্ন হৈছে বুলি তেওঁ ভাষণ প্ৰসঙ্গত কয়।

ৰাজ্যৰ গাহৰি পালন খণ্ডৰ সম্ভাৱনাসমূহৰ বিষয়ে উল্লেখ কৰি তেওঁ গাহৰি পালকসকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাই এই দিশত ৰাজ্যখনৰ চাহিদা বৃদ্ধিত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যত শ্বেত বিপ্লৱৰ সূচনা কৰি প্ৰতি দিনে ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি তেওঁ ভাষণত কয়।

এই অনুষ্ঠানত পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল উপস্থিত থাকে।

000000

শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰৰ ১৪৭ নম্বৰ তৈল খাদত গেছ নিৰ্গমন ৰোধৰ বাবে গেছৰ চাপ হ্ৰাস কৰি ৰিগটোৰ গেছ অন্য কুপলৈ নিয়াৰ প্ৰচেষ্টা আৰম্ভ হৈছে। উল্লেখযোগ্য যে যোৱা ২২ জুনৰ পৰা ধাৰাবাহিকভাৱে এই অঞ্চলটোত গেছ নিৰ্গমন হৈ আছে। ইয়াৰ মাজতে কালি ২০৪ নম্বৰ খাৰুৱা তেল খাদত গেছৰ অত্যধিক চাপৰ বাবে এটা মৃদু বিস্ফোৰণ সংঘটিত হয়। স্থানীয় লোকে এই সন্দৰ্ভত কৰ্তৃপক্ষক খবৰ দিয়াৰ পাছত অ' এন জি চি কৰ্তৃপক্ষই পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

0000000

যোৰহাটৰ ৮খন ঔষধ যোগানকাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে চি বি আয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। চিনামৰাত থকা অ' এন জি চিৰ চিকিৎসালয়ত এই প্ৰতিষ্ঠান কেইখনে ঔষধ যোগান ধৰা নামত ভুৱা বিল জমা দি ৪৫ লক্ষাধিক টকা সৰকাই নিছিল। অ' এন জি চিৰ চিকিৎসা সেৱা বিভাগৰ দায়িত্বত থকা তদানীন্তন ডি জি এম মনোজ কুমাৰ শ্ব' আৰু ঠিকাভিত্তিক নিয়োজিত চিকিৎসক ডাঃ ঈশিতা তামুলীও এই কেলেংকাৰীত জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে।

000000

আজি বিষ্ণু ৰাভা দিৱস। এই উপলক্ষে ৰাজ্য চৰকাৰৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে দিনজোৰা কাৰ্যসূচীৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আৰু যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহযোগত **যোৰহাটত** কেন্দ্ৰীয়ভাৱে বিষ্ণুৰাভা দিৱসৰ আয়োজন কৰা হৈছে। তিনিদিনীয়াকৈ আয়োজিত এই অনুষ্ঠানৰ মুখ্য তোৰণ কালি মুকলি কৰা হয়। কালি সদৌ অসম ভিত্তিত বিষ্ণুৰাভা সংগীত আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত চাৰি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। আজি সাংস্কৃতিক শোভাযাত্ৰা, মূল সভা আৰু বিষ্ণুৰাভা সংগীত পৰিৱেশন কৰা হ'ব। **শোণিতপুৰ** জিলাতো বিষ্ণুৰাভা দিৱস পালন কৰা হ'ব। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত এই দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। সদৌ অসম মইনা পাৰিজাতৰ পশ্চিম **কাৰ্বি আংলং** জিলাৰ তৰা শাখাৰ উদ্যোগত জিলাখনৰ তৰাডুবি মিনি ষ্টেডিয়ামৰ প্ৰেক্ষাগৃহত বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব। এই অনুসৰি পুৱা পতাকা উত্তোলন আৰু গছপুলি ৰোপনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। দিনৰ ১০ বজাৰ পৰা চিত্ৰাংকন, কবিতা আবৃত্তি আৰু বিষ্ণুৰাভা সংগীতৰ নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি আয়োজিত মুকলি সভাত প্ৰতিযোগিতাৰ বঁটাসমূহ বিতৰণ কৰা হ'ব।

ৰাজ্য চৰকাৰে বিষ্ণুৰাভা দিৱসৰ সৈতে সংগতি ৰাখি আজি কেইবাগৰাকীও খ্যাতিমান ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰিব। নলবাৰীত হ'বলগীয়া বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। এই অনুসৰি ৩টা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ড$^{\circ}$ থানেশ্বৰ শৰ্মালৈ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ কালীচৰণ ব্ৰহ্ম বঁটা আৰু সিন্দূৰ অভিযানত শ্বহিদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংখামলৈ বীৰ চিলাৰায় বঁটা আগবঢ়োৱা হ'ব। একেদৰে চলিত বছৰৰ ৪ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী তথা গৱেষক ড$^{\circ}$ মল্লিকা কন্দলীলৈ বিষ্ণু ৰাভা বঁটা আগবঢ়োৱা হ'ব। সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক সোনাৰাম শৰ্মা বুঢ়াভকতলৈ শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা আগবঢ়োৱা হ'ব। মুখ্যমন্ত্ৰী ড$^{\circ}$ হিমন্ত বিশ্ব শৰ্মাই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা ১ জুলাইত ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ বাতৰি বিভাগৰ লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰ কেইখন ১ জুলাইৰ দিনৰ আঢ়ৈ বজাত আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই সেইদিনা দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। সেইদিনাই সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত এটা বিচিত্ৰানুষ্ঠানৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীৰ ৭৭ বছৰ ইতিহাসত এইয়ে প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

ooooooo

**সমাপ্ত**